# COVID-19 (নোভেল কোৰোণা ভাইৰাচৰ পৰা ৰাইজে ল'ব লগা সাবধানতা)

## কৃষি বিজ্ঞান কেন্দ্ৰ – ডিকগড়

বৰ্ত্তমান সময়ত নোভেল কৰোণা ভাইৰাচে (কোভিদ-১৯) দেশত কেনেকুৱা প্ৰভাব পেলাইছে সকলোৱে জানে । গতিকে এই মাৰাত্ম ভাইৰাচ বিধৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে কিছুমান নিৰ্দেশনাও জাৰি কৰিছে, যিখিনি সকলো ধৰণৰ বাতৰি কাকতত ইতিমধ্যে প্ৰকাশ পাইছে । এই ভাইৰাছবিধৰ পৰা ৰক্ষা পাবলৈ তলত উল্লেখ কৰা কথা খিনি আমি সকলোৱে মানি চলাটো অপৰিহাৰ্য ।

১)· কৰোণা ভাইৰাচবিধ মানুহৰ পৰা মানুহলৈ সংক্ৰমিত হৈ আছে, গতিকে অচিনাকি মানুহৰ পৰা নিজক বছাই ৰখাটোৱেই মুখ্য কথা, সেয়েহে চৰকাৰে ঘৰৰ ভিতৰত ২১ দিন আৱদ্ধ হৈ থাকিব কৈছে । ইতিমধ্যেই এই ৰোগত আক্ৰান্ত হোৱা বা এই ৰোগৰ বীজাণু বহনকৰা ব্যক্তিয়েও ঘৰতেই নিজক আৱদ্ধ কৰি অন্য মানুহৰ দেহলৈ এই বেমাৰবিধ বিস্তাৰিত হোৱাটো বন্ধ কৰিব লাগিব ।

২)· এই ভাইৰাচবিধ বায়ুৰ জৰিয়তে বিস্তাৰিত (aerosol infection) নহয়, সংক্ৰমিত ব্যক্তিৰ দেহৰ পৰা হাঁচি-কাহঁ আদিৰ জৰিয়তেহে (droplet infection) অন্য ব্যক্তিৰ দেহলৈ ই বিস্তাৰিত হয়। সংক্ৰমিত ব্যক্তিৰ দেহৰ পৰা ওলোৱা এই droplet বিলাক তাৰ আশে-পাশে থকা অন্য বস্তুত লাগি ধৰি ই বহু সময়লৈ সক্ৰিয় হৈ থাকে আৰু যিকোনো উপায়েৰে অন্যৰ সংস্পৰ্শলৈ আহিলে ই বিস্তাৰিত হয় ।

৩)· ধাতবীয় পদাৰ্থ, প্লাষ্টিক, কাৰ্ডবোৰ্ড আদিত ই বহু সময়লৈ জীয়াই থাকে, সেই কাৰণে এইবিলাক বস্তু স্পৰ্শ কৰাৰ পাছত ভালদৰে চাবোন আৰু পানীৰে হাত ধুব লাগে ।

৪)· কাপোৰত ই বহু সময়লৈ জীয়াই থাকিব পাৰে, গতিকে ইয়াক চাবোন বা অন্য ডিটাৰজেন্ট পাউদাৰেৰে ধুলে বা ভালদৰে ৰ'দালে এই ভাইৰাচবিধ ধ্বংস হয় ।

৫)· এলকহ'ল জাতীয় দ্ৰব্যেৰে (hand sanitizer) হাত দুখন বিশুদ্ধকৰণ কৰা উচিত বা এই দ্ৰব্য লগত লৈও ফুৰাব পাৰে । যিকোনো সন্দেহজনক বস্তু স্পৰ্শ কৰাৰ পিছত sanitizer লগোৱা বা চাবোনেৰে হাত ধোৱাটো দৰকাৰী ।

৬)· গৰম পানীৰ ব্যৱহাৰ আৰু সূৰ্যৰ তাপ লগোৱা, আইচক্ৰিম বা অন্য থাণ্ডা বস্তু নখোৱাটোও বৰ দৰকাৰী ।

৭)· অন্য বেমাৰৰ পৰা হাত সাৰি থাকিবলৈ পাৰ্যমানে নিজৰ যত্ন ল'ব লাগে, চৰ্দি লগাৰ নিচিনা ভাব হ'লে গৰম আৰু নিমখীয়া পানীৰে গাৰগুল কৰিলে ভাল পোৱা যায় ।

৮), চাবোনেৰে হাত দুখন সঘনাই ধুই থাকিব লাগে আৰু নাক, চকু, মুখ আদি স্পৰ্শ কৰিব নালাগে ।

৯)· অত্যাৱশ্যকীয় সামগ্ৰী আনিবলৈ বজাৰ বা বাহিৰলৈ গ'লে চৰকাৰে বান্ধি দিয়া ১ মিটাৰৰ ব্যৱধান মানি চলিব লাগে ।

**কৃষক ৰাইজে মানি চলিব লগীয়া কিছু কথা:** যিহেতু কৃষকে পথাৰত কাম কৰিবই লাগিব, গতিকে সাৱধানতা অৱলম্বণ কৰি দৈনন্দিন খেতিৰ কাম খিনি নিয়াৰিকৈ কৰিব লাগিব ।

১)· দৈনন্দিন ব্যৱহাৰ হোৱা কৃষি সজুলি খিনিৰ চাফ-চিকুণতা লোৱাটো বৰ দৰকাৰী, আৰু সজুলিখিনিৰ ব্যৱহাৰ কৰা আৰু কৃষি-কৰ্ম সম্পন্ন কৰাৰ পিছত সজুলিখিনি চাফ-চিকুণ কৰি নিজেও চাবোন-পানীৰে গা ধোৱাটো দৰকাৰী ।

২)· কৃষি কৰ্মত যিমান পাৰি সিমান কম মানুহ লগোৱাটো জৰুৰী । যিমানেই কম মানুহ নিয়োজিত হ'ব, সিমানেই তেওঁলোকৰ ততদাৰক কৰাটো সহজ হ'ব আৰু এই মানুহ খিনিক আমি ল'ব লগা সাবধানতা খিনিও বুজাই দিব পাৰিব।

৩)· ছপোৱা শস্য খিনি ভালদৰে ৰোদাইহে ইয়াক ভৰালত জমা কৰিব লাগে ।

৪)· কৃষকৰ পথাৰত উৎপাদিত সামগ্ৰীখিনি বিক্ৰীৰ বাবে জিলা উপায়ুক্ত মহোদয়ে জিলা কৃষি বিভাগৰ লগত পৰামৰ্শ কৰি কিছুমান মুনহক শাক-পাচলি বিক্ৰীৰ অনুমতি দিছে । গতিকে কৃষক ৰাইজে জিলা উপায়ুক্তৰ কাৰ্যালয় বা জিলা কৃষি বিভাগৰ লগত যোগাযোগ কৰি সেই সকল মানুহৰ ওচৰত তেখেতসকলৰ পথাৰত উৎপাদিত সামগ্ৰীখিনি বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব পাৰে ।

৫)· কৃষক সকলে কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ আৰু ওচৰৰ কৃষি উন্নয়ন বিষয়া সকলৰ লগত যোগাযোদ ৰাখিব ।

**আমাৰ সকলোৰে কৰণীয়**

১)· যদিহে যোৱা কিছু দিনত কোনো অচিনাকি, সন্দেহজনক লোকৰ লগত মিলা-মিচা কৰিছে আৰু মিলা-মিছা কৰাৰ পিছত কাহ, চৰ্দি, মূৰ-কামোৰণি, জ্বৰ অদি হৈছে, লগে লগে চিকিৎসকৰ লগত যোগাযোগ কৰিব, বেমাৰ লুকুৱাই নথ'ব ।

২)· বৰ বেছি হোৱাটছআপ, ফেচবুক, আদি সামাজিক মাধ্যমত চলা উৰা বাতৰিত ভৰষা নকৰিব ।

৩)· বিভিন্ন প্ৰচাৰ মাধ্যমে প্ৰকাশ কৰা খবৰৰ জৰিয়তে সত্য খবৰ পাবলৈহে চেষ্টা কৰিব ।